# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-JUNE-2026
**Time :** 09-00 AM

## *Assamese Morning Bulletin*

——————————————————

১। ভাৰতত একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীৰ কৃতিত্ব অৰ্জন।

২। ২২ খন ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীৰ উপস্থিতিত নতুন দিল্লীত আজি এন ডি এৰ বৈঠক।

৩। ২০২৪-২৫ শিক্ষাবৰ্ষত ৰাজ্যৰ ৰাজহুৱা শিক্ষা খণ্ডৰ মান দ্বাদশ স্থানলৈ উন্নীত।

৪। ৰাজ্যৰ ৪ খন সংৰক্ষিত বনাঞ্চলৰ সুৰক্ষাৰ বাবে উচ্ছেদৰ চৰকাৰী সিদ্ধান্তৰ সপক্ষে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়দান। **আৰু**

৫। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি পুনৰ ৫ জন লোকৰ সাক্ষ্য গ্ৰহণ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতত একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। ২০১৪ চনৰ ২৬ মে'ত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰা শ্ৰীমোদীয়ে আজি এই বিশেষ কৃতিত্ব অৰ্জন কৰিছে। শ্ৰীমোদীয়ে এই কৃতিত্ব অৰ্জনৰ ক্ষেত্ৰত পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰে। প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৯৫২ চনৰ ১৩ মে'ত নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰিছিল আৰু ১৯৬৪ চনৰ ২৭ মে'ত মৃত্যু পৰ্যন্ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। পণ্ডিত নেহৰুৱে একেৰাহে ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰূপে ৪ হাজাৰ ৩৯৯ দিনত ভৰি দিছে।

ইপিনে কেন্দ্ৰত মোদী চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতত একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হোৱাৰ কৃতিত্ব উদযাপন কৰিবলৈ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা, এন ডি এই আজি নতুন দিল্লীত এখন বৈঠকৰ আয়োজন কৰিছে।

বৈঠকত বিজেপিৰ শীৰ্ষ নেতৃত্বৰ লগতে মৰ্চাৰ সকলো অংশীদাৰ উপস্থিত থাকিব। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অংশগ্ৰহণ কৰিব। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল সামৰি শাসনৰ দায়িত্বত থকা ২২ খন এন ডি এ চৰকাৰৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলেও এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত বিভিন্ন ৰাষ্ট্ৰীয় উন্নয়নমূলক কাৰ্যসূচী, আন্তঃগাঁথনিমূলক কাৰ্যসূচী আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ বিষয়ে মোদী চৰকাৰৰ লক্ষ্যৰ পৰ্যালোচনা কৰা হ'ব।

০০০০০০

২০৩০ চনৰ ভিতৰত অসম বিনিয়োগৰ নতুন ক্ষেত্ৰলৈ ৰূপান্তৰ হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। গুৱাহাটীত ইউৰোপীয় সংঘৰ প্ৰতিনিধি আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ

উপস্থিত কালি 'ব্লু ভেলী ক্লাষ্টাৰ' উদ্যম মুকলি কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইউৰোপীয় দেশসমূহত অসমৰ বাবে এখন নতুন বজাৰ মুকলি হ'ব। অসমৰ চাহ, অগৰু, জৈৱিক খাদ্য এতিয়াৰে পৰা ইউৰোপৰ বজাৰত বছৰৰ প্ৰতিমাহে পোৱাটো সহজ হৈ পৰিব। কৃষকসকলক বিশেষ গুৰুত্ব আৰোপেৰে কৰা এই উদ্যমে ৰাজ্যৰ কৃষিজাত আৰু প্ৰাকৃতিক সম্পদক বিশ্ব বজাৰৰ সৈতে সংযোগ কৰাৰ লগতে ইউৰোপীয় অংশীদাৰসকলৰ সৈতে শক্তিশালী মূল্য শৃংখলা গঢ়ি তুলিব বুলিও তেওঁ কয়। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে অসমৰ বাবে বিনিয়োগ, ৰপ্তানি আৰু ঔদ্যোগিক বিকাশৰ নতুন দুৱাৰ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ইপিনে অহা ১ জুলাইত গুৱাহাটীত জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইচি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এখন বৈঠকত মিলিত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সদৰি কৰিছে। এই বৈঠকেও অসমলৈ নতুন আশাৰ বতৰা কঢ়িয়াই আনিব বুলি তেওঁ কয়–

**বাইট (চি এম)**

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম-ইউৰোপীয় সহযোগিতাত নতুন অধ্যায়ৰ সূচনা কৰি সুগন্ধি, আয়ুষ আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে ইউৰোপীয় সংঘৰ সহযোগিতাত কালি 'ব্লু ভেলী ক্লাষ্টাৰ' উদ্যম মুকলি কৰে। এই উদ্যমৰ অংশ হিচাপে অসম ঔদ্যোগিক উন্নয়ন নিগম আৰু ভাৰতত ইউৰোপীয় ব্যৱসায় সংঘৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়।

ইয়াৰ পূৰ্বে ড০ শৰ্মা ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰৱে ডেলফিনৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ সৈতে অসমলৈ অহা ভাৰতস্থিত ইউৰোপীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সংঘ - এফ ই বি আই, ইণ্ডিয়াৰ সৈতেও ফলপ্ৰসূ আলোচনাত মিলিত হয়। আলোচনাকালত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। ইউৰোপৰ ২৫০টাৰো অধিক প্ৰতিষ্ঠান আৰু ৬ হাজাৰৰো অধিক ব্যৱসায়িক সংযোগক প্ৰতিনিধিত্ব কৰা এফ ই বি আইৰ সৈতে হোৱা অংশীদাৰিত্বৰ জৰিয়তে ৰাজ্যৰ যুৱ শক্তি, কৃষক আৰু মহিলা উদ্যমীসকলৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ ৰাজহুৱা শিক্ষা খণ্ডৰ মান ২০২৪-২৫ শিক্ষাবৰ্ষত দ্বাদশ স্থানলৈ উন্নীত হৈছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে দেশৰ প্ৰতিখন ৰাজ্যৰ তথ্যৰ আধাৰত শেহতীয়াকৈ প্ৰকাশ কৰা পাৰফৰ্মেন্‌ছ গ্ৰেডিং ইনডেক্স চমুকৈ পি জি আইৰ তালিকাত অসমৰ শিক্ষা বিভাগে পূৰ্বৰ ২৭ সংখ্যক স্থানৰ পৰা দ্বাদশ স্থানলৈ উন্নীত হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে অহা দুবছৰৰ ভিতৰত ৰাজ্যৰ বিদ্যালয় শিক্ষা খণ্ডক দেশৰ ভিতৰত দশম স্থানলৈ উন্নীত কৰাৰ বাবে লক্ষ্য লৈ ইতিমধ্যে কাম-কাজ আৰম্ভ কৰিছে। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা এই তালিকাত চণ্ডীগড় প্ৰথম, পঞ্জাৱ দ্বিতীয় আৰু কেৰেলাম তৃতীয় স্থানত আছে। উল্লেখযোগ্য যে পুনৰ ৰাজ্যৰ শিক্ষামন্ত্ৰীৰ দায়িত্ব লাভ কৰা ডাঃ পেগুৱে অনাগত সময়ৰ বাবে শিক্ষা বিভাগৰ কৰ্মসূচী প্ৰস্তুত কৰা সন্দৰ্ভত কালি পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ শিক্ষকৰ বদলিকৰণ প'ৰ্টেল আৰু শিক্ষা সেঁতুৰ তথ্যও বিশ্লেষণ কৰে। লোকপিয়লৰ বাবে শিক্ষকৰ বদলিকৰণত বিলম্ব হ'ব পাৰে বুলিও ডাঃ পেগুৱে উল্লেখ কৰে। তেওঁ কয়, যে দেশৰ অন্যান্য ৰাজ্যৰ লগতে অহা ২ আগষ্টত অসমতো লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা

গণনাকাৰী বিষয়াসকলে প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে যাব। এইসকলৰ ভিতৰত শিক্ষকো আছে। ইয়াৰ বাবে শিক্ষকৰ বদলিকৰণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ সৈতে আলাপ-আলোচনামৰ্মে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ কয়। আনহাতে, ২০২৬-২৭ বৰ্ষত ৰাজ্যত পুনৰ গুণোৎসৱ অনুষ্ঠিত হ'ব আৰু ইয়াৰ বাবে বাজেট ধাৰ্য কৰি প্ৰস্তুতি চলোৱা হৈছে বুলি শিক্ষামন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যখনৰ বনাঞ্চল সুৰক্ষাৰ স্বাৰ্থত চাৰিখন সংৰক্ষিত বনাঞ্চলত উচ্ছেদৰ চৰকাৰী সিদ্ধান্তৰ সপক্ষে ৰায় দিছে। নগাঁও জিলাৰ লুটুমাই, যমুনাৰ মৌদংগা, নামবৰ দক্ষিণ আৰু বৰপানী সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলোৱাৰ বাবে ন্যায়ালয়ে সেউজ সংকেত দিছে। এই উচ্ছেদৰ জাননীৰ প্ৰত্যাহ্বান জনাই চাৰি শতাধিক আবেদনকাৰীয়ে দাখিল কৰা সকলো আবেদন উচ্চ ন্যায়ালয়ে খাৰিজ কৰে। এই অনুসৰি বন বিভাগে চলিত বছৰৰ ৭ মাৰ্চত জাৰি কৰা জাননীৰ আধাৰত বনাঞ্চলখনৰ ভূমি অবৈধভাৱে দখল কৰি থকা লোকসকলৰ বিৰুদ্ধে উচ্ছেদ চলাব পাৰিব। উচ্চ ন্যায়ালয়ে ৩০ দিনৰ ভিতৰত দখলকাৰীয়ে এই অঞ্চলসমূহ খালী নকৰিলে চৰকাৰে উচ্ছেদ চলাব পাৰিব বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে আবেদনকাৰীসকলে কেইবাদশক ধৰি বনভূমিত বসবাস কৰি অহাৰ লগতে জীৱিকা আৰু সামাজিক সুৰক্ষাৰ বিষয়টো উল্লেখ কৰিছিল। ইয়াৰ বিপৰীতে গোচৰসমূহৰ শুনানিত চৰকাৰৰ ফালৰ পৰা পূৰ্বে উচ্চতম ন্যায়ালয়ত দাখিল কৰা প্ৰতিবেদনত ৰাজ্যৰ মুঠ বনাঞ্চলৰ ১৯ দশমিক ৯ - ২ শতাংশ দখলকাৰীৰ কবলত থকা বুলি তথ্য দিয়া হৈছিল। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰাৰ বিচাৰপীঠে সোমবাৰে দিয়া ৰায়ত আবেদনকাৰীসকলে কোনো বৈধ আবণ্টনপত্ৰ বা ভূমি নিষ্পত্তি অবিহনে সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰি থকা হেতুকে তেওঁলোকক অবৈধ দখলকাৰী হিচাপে গণ্য কৰা হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ বন বিভাগে এই বনাঞ্চলসমূহৰ অবৈধ দখলকাৰীলৈ ৭ মাৰ্চত ১৫ দিনৰ ভিতৰত সেই স্থান খালী কৰিবলৈ জাননী জাৰি কৰিছে।

০০০০০০

নৱগঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ সদ্য দায়িত্বপ্ৰাপ্ত ১২ গৰাকী মন্ত্ৰীয়ে নিজ নিজ বিভাগৰ কাম-কাজ সম্পাদনৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগতে অভিভাৱক মন্ত্ৰীসমূহে সংশ্লিষ্ট জিলাসমূহ ভ্ৰমণ কৰিছে।

বিত্ত, বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী তথা গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি গোৱালপাৰাৰ জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশ লৈ জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ বুজ লয়। তেওঁ জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী তথা জিলাখনৰ চাৰিওগৰাকী বিধায়কৰ সৈতে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহৰ প্ৰস্তুতিৰ খতিয়ান লয়। তেওঁ পৰিৱেশ আৰু বন বিভাগ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শিক্ষা, কৃষি, জনস্বাস্থ্য কাৰিকৰীকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰে। ইয়াৰ লগতে অভিভাৱক মন্ত্ৰীৰ বাবে গোৱালপাৰাত অসম অসামৰিক সেৱা পৰ্যায়ৰ এগৰাকী বিষয়া-নিযুক্তি দিবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। এই সন্দৰ্ভত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে কয় –

**বাইট**

বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ পাছত ৰাজ্যৰ সামাজিক ন্যায় আৰু সৱলিকৰণ, ভূমি সংৰক্ষণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ কালি জিলাখনত উপস্থিত হয়।

মন্ত্ৰীগৰাকীয়ে  জিলাখনৰ সম্ভাব্য বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে আগতীয়াকৈ ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাত মিলিত হয়।

শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰাই জিলা প্ৰশাসনৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰি জিলাখনৰ বিভিন্ন সমস্যা আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। বৈঠকৰ পাছত সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ দ্ৰুত আৰু দায়িত্বশীলভাৱে ৰূপায়ণ কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনায়। মন্ত্ৰী বৰাই কালি ঐতিহাসিক চৰাইদেউ মৈদাম পৰিদৰ্শন কৰি উপৰিপুৰুষক শ্ৰদ্ধাৰে স্মৰণ কৰে।  এই পৰিদৰ্শন কাৰ্যসূচীত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, সুৰুজ দিহিঙীয়াৰ উপৰি জিলা আয়ুক্ত ডং নেহা যাদৱো উপস্থিত থাকে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে এইদৰে কয় –

**বাইট**

oooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি পুনৰ ৫ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰিব। সময়ৰ অভাৱৰ বাবে কালি সাক্ষ্য প্ৰদান কৰিব নোৱৰা বেবী বৰাই আজি ফাষ্টট্ৰেক আদালতত পুনৰ ভাগত সাক্ষ্য দিব। চৰকাৰী পক্ষৰ সাক্ষী হিচাপে বিৰিঞ্চি বৰা, প্ৰভাকৰ ফুকন, অনুজ কুমাৰ বৈশ্য আৰু ৰাজা অসমে সাক্ষ্য প্ৰদানৰ বাবে আজি দিন ধাৰ্য কৰা হৈছে।

ফাষ্টট্ৰেক আদালতে কালি দুগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰে। আদালতে ৫ গৰাকী সাক্ষীৰ সাক্ষ্যৰ বাবে নিৰ্দিষ্ট কৰিছিল যদিও সময়ৰ অভাৱৰ বাবে তিনিগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰিব পৰা নগ'ল। উল্লেখযোগ্য যে সোমবাৰৰ ফাষ্টট্ৰেক আদালতত গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। এই গোচৰত সাক্ষী হিচাপে মুঠ ৩৯৪ গৰাকী লোকৰ নাম অন্তৰ্ভুক্ত হৈছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত ১৯ জুনৰ ভিতৰত কেচ ডায়েৰী দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অভিযুক্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি কালি ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কেচ ডায়েৰীৰ লগতে নিম্ন আদালতৰ গোচৰটো সম্পৰ্কীয় নথি-পত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

oooooo

ৰাজ্যিক কৰ্মচাৰীয়ে অহা জুলাইৰ পৰা ২ শতাংশ অতিৰিক্ত মৰগীয়া বানচ লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমক এই কথা উল্লেখ কৰি কয়, যে চৰকাৰৰ এই সিদ্ধান্তৰ জৰিয়তে ৮ লাখৰো অধিক ৰাজ্যিক কৰ্মচাৰী আৰু পেঞ্চনাৰ লাভান্বিত হ'ব। ৰাজ্য চৰকাৰে অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত চৰকাৰী কৰ্মচাৰীৰ মৰগীয়া বানচ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি পাব। উল্লেখযোগ্য যে মন্ত্ৰীসভাৰ শেহতীয়া বৈঠকত ৰাজ্যিক কৰ্মচাৰীৰ মৰগীয়া বানচ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

oooooo

ভাৰতৰ পুৰুষৰ-এ দলটোৱে শ্ৰীলংকাত চলি থকা ত্ৰিদেশীয় এ ছিৰিজ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত কালি শ্ৰীলংকা-এ দলক ৮ ৰানত পৰাস্ত কৰে। ৰণগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেট হেৰুৱাই ২৭৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ঋতুৰাজ গাইকোৱাড়ে ১০১ আৰু অধিনায়ক তিলক বাৰ্মাই ৬০ ৰানৰ বৰঙণি আগবঢ়ায়। শ্ৰীলংকাৰ মহম্মদ ছিৰাজে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ঘৰুৱা দলটোৱে ৭টা বল বাকী

থকা অৱস্থাতে ২৬৯ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ আৰ্শ্বাদ খান, অনুকুল ৰয়, আয়ুষ বাডোনি আৰু বিপৰাজ নিগমে দুটাকৈ উইকেট দখল কৰে। উজ্জীৱিত প্ৰদৰ্শনেৰে অনবদ্য শতক অৰ্জন কৰা ভাৰতৰ ঋতুৰাজ গাইকোৱাড়ক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কাইলৈ ভাৰতীয় দলটো আফগানিস্তানৰ-এ দলৰ মুখামুখি হ'ব। অহা ২১ জুনত শৃংখলাটোৰ চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব। শৃংখলাটোৰ আটাইকেইখন খেলেই ডাম্বুলাত খেলোৱা হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। নগাঁও, হোজাই আৰু গোলাঘাট জিলাৰ চাৰিখন বনাঞ্চলত চৰকাৰে উচ্ছেদ চলাব। ন্যায়লয়ে চৰ্তসাপেক্ষে সেউজ সংকেত প্ৰদান কৰাৰ পাছতেই উচ্ছেদৰ বাবে তৎপৰ হৈছে বন বিভাগ। দৈনিক অসম কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। নিৰ্ধাৰিত সময়ত বেদখলকাৰীয়ে ভূমি খালী নকৰিলে জিলা প্ৰশাসন, আৰক্ষী, বনবিভাগ আৰু ৰাজ্য চৰকাৰক উচ্ছেদ চলাবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে কঠোৰ নিৰ্দেশ প্ৰদান কৰিছে। অসমীয়া প্ৰতিদিন কাকতেও এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

অসম-ইউৰোপ অংশীদাৰিত্বক নতুন গতি প্ৰদান কৰি গুৱাহাটীত কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই 'BLUE VELLY CLUSTERৰ শুভাৰম্ভণি কৰে। গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত অসম-ইউৰোপ সহযোগিতাৰ এক নতুন অধ্যায়ৰ সূচনা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইউৰোপীয় সংঘৰ সহযোগত সুগন্ধি আৰু সোৱাদ, আয়ুষ আৰু খাদ্য প্ৰক্ৰিয়াকৰণ খণ্ডত 'BLUE VELLY CLUSTER'ৰ শুভাৰম্ভ কৰে। নিয়মীয়া বাৰ্তা কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। আমাৰ অসম কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম 'ইউৰোপৰ বজাৰত বাৰ মাহে উপলব্ধ হব অসমত উৎপাদিত সামগ্ৰী'। দি আচাম ট্ৰিবিউন আৰু দি চেন্টিনেল কাকততো একেটা বাতৰিকে মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰা হৈছে। অসমীয়া খবৰ কাকতেও বাতৰিটো গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক কেৰিয়াৰত অনন্য মাইলৰ খুটিৰ স্থাপন কৰিলে। নেহৰুৰ পাছত তিনিটাকৈ লোকসভা নিৰ্বাচনত জয়ী হৈ প্ৰধানমন্ত্ৰী হোৱা প্ৰথমগৰাকী নেতা হিচাপে অভিলেখ ৰচনা কৰিলে নৰেন্দ্ৰ মোদীয়ে। এই উপলক্ষে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত মৰ্চাৰ সকলো মুখ্যমন্ত্ৰীৰ উপস্থিতিত এন ডি এ শক্তি প্ৰদৰ্শন কৰিব। দৈনিক জনমভূমি কাকতত এই বাতৰিটোক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে।

৪৮ খন দেশৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'বলগীয়া সৰ্ববৃহৎ ফুটবল বিশ্বকাপক লৈ সমগ্ৰ বিশ্বতে ব্যাপক উৎকণ্ঠা আৰু উত্তেজনাৰ সৃষ্টি হৈছে। অংশগ্ৰহণকাৰী দেশৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে এইবাৰৰ বিশ্বকাপত বিশ্বৰ বিভিন্ন প্ৰান্তৰ অধিকসংখ্যক খেলুৱৈয়ে নিজৰ দক্ষতা প্ৰদৰ্শনৰ সুযোগ লাভ কৰিছে। দৈনিক অগ্ৰদূত কাকতে সবিস্তাৰে এই সন্দৰ্ভত যুগুতোৱা এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**